# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-08-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

দেশৰ বিভিন্ন স্থানত কাইলৈ ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। দিল্লীৰ লালকিল্লাত কাইলৈ হ'বলগীয়া স্বাধীনতা দিৱসত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে পেৰেডৰ অভিবাদন গ্ৰহণ কৰাৰ লগতে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। লালকিল্লাত হ'বলগীয়া স্বাধীনতা দিৱসৰ কাৰ্যসূচীত বিভিন্ন দেশৰ অতিথিৰ লগতে অলিম্পিকত পদকজয়ী খেলুৱৈসকল উপস্থিত থাকিব। ইপিনে অসমতো কাইলৈ স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

গুৱাহাটীত চৰকাৰী কাৰ্যসূচী কাইলৈ পুৱা চাৰে ৪ বজাত **প্ৰভাতী গীতাঞ্জলি**ৰে আৰম্ভ কৰাৰ পাছত ৭ বজাত চৰকাৰে কাৰ্যবাহীসকলৰ বাসভৱনত আৰু চাৰে ৭ বজাত সকলো চৰকাৰী, অৰ্ধচৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হ'ব। পুৱা ৭ বাজি ৪৫ মিনিটৰ পৰা কুচকাৱাজত ভাগ ল'বলগীয়া দলসমূহ আৰু ৮ বাজি ১৫ মিনিটৰ পৰা নিমন্ত্ৰিত অতিথি তথা জনসাধাৰণ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত উপস্থিত হোৱাৰ পাছত পুৱা ৯ বজাত মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে অভিবাদন গ্ৰহণ কৰিব। এই অনুষ্ঠানত অসম আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে কুচকাৱাজ প্ৰদৰ্শন কৰিব। পতাকা উত্তোলন কাৰ্যসূচীৰ পাছত পুৱা ১০ বজাত গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ কাৰাবন্দী, ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, বি বৰুৱা কৰ্কট চিকিৎসালয় আৰু যক্ষ্মা চিকিৎসালয়ৰ ৰোগীসকলৰ লগতে বিভিন্ন অনাথ আশ্ৰম, মুক-বধিৰ বিদ্যালয় আদিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আৰু আন ভিন ভিন অনুষ্ঠান-প্ৰতিষ্ঠানত ফলমূল আদি বিতৰণ কৰা হ'ব। স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়া চাৰে ৬ বজাত চৰকাৰী কাৰ্যালয়, নাগৰিকৰ বাসগৃহ আদিত বন্তি প্ৰজ্বলন কৰা হ'ব।

ইপিনে, ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য কাৰ্যবাহী সদস্যসকলে বিভিন্ন ঠাইত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বঙাইগাঁৱত, অতুল বৰাই নগাঁৱত, উৰ্খাও গৌড়া ব্ৰহ্মই দৰঙত, চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, কেশৱ মহন্তই হোজাইত, ডাঃ ৰণোজ পেগুৱে লখিমপুৰত, অশোক সিংহলে শোণিতপুৰত, যোগেন মহনে যোৰহাটত, সঞ্জয় কিষাণে তিনিচুকীয়াত, অজন্তা নেওগে গোলাঘাটত, পীযুষ হাজৰিকাই গোৱালপাৰাত, বিমল বৰাই ডিব্ৰুগড়ত, নন্দিতা গাৰ্লোছাই শিলচৰত, জয়ন্ত মল্লবৰুৱাই নলবাৰীত পতাকা উত্তোলন কৰিব। আনহাতে, বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে কোকৰাঝাৰত, কাৰ্বিআংলং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙে ডিফুত, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই হাফলঙত, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ওদালগুৰিত আৰু অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে চৰাইদেউত পতাকা উত্তোলন কৰিব।

০০০০০০০০০

ভাৰতৰ স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত আজি বন্ধুৰাষ্ট্ৰ ভূটানৰ সৈতে সৌহাৰ্দপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। ভাৰত আৰু ভূটানৰ আন্তঃৰাষ্ট্ৰীয় মূল দুৱাৰৰ সন্মুখত দুয়োখন দেশৰ বিষয়ববীয়াসকলে ভাৰতীয় প্ৰতিনিধিক স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। দুয়োখন দেশে পৰম্পৰা অনুসৰি পাৰস্পৰিক সন্মান প্ৰদৰ্শন কৰে। আনহাতে ভাৰতীয় প্ৰতিনিধিসকলে ভূটানৰ বিষয়ববীয়াক অসমীয়া গামোচা আৰু বড়ো জনগোষ্ঠীৰ আৰনাই উপহাৰ দিয়ে। অনাগত দিনত দুয়োখন দেশৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ় কৰি ৰাখিবলৈ ভাৰত আৰু ভূটানৰ বিষয়ববীয়াসকলে গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী আৰু বৰমাৰ বিধায়ক ভূপেন বড়োসহ আন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ভাৰতৰ স্বাধীনতা দিৱসৰ উপলক্ষে দুয়োখন দেশৰ প্ৰতিনিধিসকলে মিঠাই আদান-প্ৰদান কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি হাজোত অসমৰ দ্বিতীয়গৰাকী মুখ্যমন্ত্ৰী তথা প্ৰথম অসমীয়া ৰাজ্যপাল লৌহমানৱ বিষ্ণুৰাম মেধিৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বিষ্ণুৰাম মেধিৰ হাজোৰ ভৰালীটোলাৰ নিজ বাসভৱন ‘শিশু কল্যাণ ভৱন’ত ৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তিটো উন্মোচন কৰাৰ পাছত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ‘লৌহমানৱ’ শীৰ্ষক এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে লৌহমানৱ বিষ্ণুৰাম মেধিৰ অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। বিষ্ণুৰাম মেধিৰ ৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তিটো নতুন প্ৰজন্মৰ বাবে দেশপ্ৰেমৰ অতুলনীয় প্ৰেৰণাৰ উৎস হৈ পৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। হাজোবাসীক এই প্ৰতিমূৰ্তি উৎসৰ্গা তেওঁ গৌৰৱান্বিত বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, প্ৰয়াত নেতাগৰাকীৰ অবৈধ প্ৰব্ৰজনৰ বিৰুদ্ধে যুঁজাৰ সাহসে অসমৰ নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰিব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত দৰ্শনাৰ্থীৰ বাবে ২০২৪ বৰ্ষৰ গ্ৰীষ্মকালীন বাৰ্ষিক অমৃত উদ্যান মুকলি কৰে। এই উদ্যানখন জনসাধাৰণৰ দৰ্শনৰ বাবে অহা শুকুৰবাৰৰ পৰা ১৫ ছেপ্তেম্বৰলৈ মুকলি থাকিব। উঠি অহা প্ৰজন্মক অমৃত উদ্যানৰ মানসিকতাৰে উদ্বুদ্ধ কৰাৰ উদ্দেশ্যেৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বুটাম বেজ বিতৰণ কৰা হ’ব। এই উদ্যানখনত নতুনকৈ এখন ছাউণ্ড পাইপ প্ৰদৰ্শনীও সংযোজন কৰা হৈছে। এই ব্যৱস্থাৰ জৰিয়তে শিশুসকলে শব্দযন্ত্ৰৰ অনবদ্য অভিজ্ঞতা লাভ কৰিব পাৰিব। আনহাতে এইবেলি প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি অহা ২৯ আগষ্টত ক্ৰীড়াৰ সৈতে জড়িত ব্যক্তিসকলক উদ্যান দৰ্শনৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। একেদৰে বিভিন্ন বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকসকলকো অমৃত উদ্যানৰ পুষ্পৰ সমৃদ্ধি দৰ্শনৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। উল্লেখযোগ্য যে দৰ্শনাৰ্থীৰ সুবিধাৰ্থে কেন্দ্ৰীয় সচিবালয় মেট্ৰ’ ষ্টেচনৰ পৰা বিনামূলীয়া বাছসেৱাৰ ব্যৱস্থা কৰা হৈছে। বিভিন্ন প্ৰকাৰৰ ফুল গছৰ পৰা আৰম্ভ কৰি বৃহৎ বৃক্ষ প্ৰকৃতিৰ শ্ৰেণীকোঠা আদিৰে সমৃদ্ধ অমৃত উদ্যান দৰ্শনৰ বাবে আগ্ৰহীসকলে ৰাষ্ট্ৰপতি ভৱনৰ ৱেবছাইটৰ জৰিয়তে প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

০০০০০০০

**সমাপ্ত**